## স্মৃতিগ্ৰন্থসমূহ ইতিহাস চৰ্চাৰ সমল ঃ য়েছে দৰজে ঠংচি

# ছয়দুৱাৰ কলেজৰ সোণালী জয়ন্তীত ১৩ গ্ৰন্থ উন্মোচন

### স্মৃতি ৰোমন্থন কৰি নষ্টালজিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী

নিয়মীয়া বাৰ্তা, হেলেম, ২ নৱেম্বৰ ঃ গহপুৰ মহকুমাৰ একমাত্ৰ পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি আজি সোণালী জয়ন্তী উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থসহ সৰ্বমুঠ ১৩খন গ্ৰন্থ উন্মোচন কৰাৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহেৰে মুখৰ হৈ পৰে মহাবিদ্যালয়খনৰ চৌহদ। আজি পুৱা ৯.৩০ বজাৰ পৰা মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক ড° অঞ্জন কুমাৰ ওজাৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত সোণালী জয়ন্তী উপলক্ষে প্ৰকাশিত 'স্মৃতিৰ সোণালী দুৱাৰ' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে। মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ তথা কবি, গীতিকাৰ, সাহিত্যিক দিগন্ত গোহাঞি (মুখ্য সম্পাদক) আৰু জগদীশ শৰ্মা, ড° মাধৱ বৰাৰ (সম্পাদক) সম্পাদনাত ১০ পৃষ্ঠাত




Scanned with Oken Scanner